**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-04-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::**

ৰাজ্য খনত দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত হবলগীয়া লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কাইলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসনাধিষ্ঠিত বিজেপিৰ লগতে অন্যান্য ৰাজনৈতিক দলসমূহে নিৰ্বাচন হবলগীয়া দৰং-ওডালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাওঁ সমষ্টিত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নগাওঁ জিলাৰ জুৰীয়াত দলৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে সাধাৰণ ৰাইজৰ সমস্যা উপলব্ধি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন এন ডি এ চৰকাৰে তেওঁলোকক প্ৰাপ্য সুবিধা প্ৰদান কৰি আহিছে বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে আজি দৰং-ওডালগুৰি লোকসভা সমষ্টিৰ এন ডি এ প্ৰাৰ্থী দিলীপ শইকীয়াৰ সমৰ্থনত ছিপাঝাৰ, মঙ্গলদৈ, নাগৰিজুলিত প্ৰচাৰ চলাই। প্ৰচাৰ সভাত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে  বিজেপি নেতৃত্বাধীন চৰকাৰে বিগত সময়ছোৱাত ৰাজ্যখনৰ সকলো স্তৰৰ জনসাধাৰণৰ কল্যাণৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী আৰু বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱে আজি ওডালগুৰি জিলাৰ শিমলুগুৰিত দৰং-ওডালগুৰি সমষ্টিৰ প্ৰাৰ্থী গৰাকীৰ হৈ প্ৰচাৰ চলায়। ইপিনে মন্ত্ৰী পিযুষ হাজৰিকাই আজি নগাওঁ সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ সমষ্টিটোৰ দক্ষিণপাটত প্ৰচাৰ চলায়। কংগ্ৰেছ দলৰ নগাওঁ সমষ্টিৰ প্ৰাৰ্থী প্ৰদ্যু বৰদলৈয়ে আজি মৰিগাওঁত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে অংশ লয় বিজেপিৰ অৰ্থনৈতিক নীতিৰ তীব্ৰ সমালোচনা কৰে। কংগ্ৰেছ দলৰ সভাপতি ভূপেন কুমাৰ বৰাইও বিভিন্ন স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে।  ইফালে বাক্সা জিলাৰ জালাহত আজি গণসুৰক্ষা পাৰ্টীৰ কোকৰাঝাৰ সমষ্টিৰ প্ৰাৰ্থী বিনীতা ডেকাই প্ৰচাৰ চলায়। তৃতীয় পৰ্যায়ত নিৰ্বাচন হবলগীয়া গুৱাহাটী সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি সমষ্টিটোত ছখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

০০০০০

ৰাজ্যখনৰ ৪টা সমষ্টিৰ বাবে হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাতো নিশ্চিত হৈছে।

উল্লেখযোগ্য যে দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত আউটাৰ মণিপুৰৰ উপৰি দেশৰ ৮৮টা সংসদীয় সমষ্টিৰ বাবে হ'বলগীয়া নিৰ্বাচনত এহেজাৰ ১৯৮ গৰাকীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। দ্বিতীয় পৰ্যায়ত অসমত ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। কৰিমগঞ্জত ২৪, নগাঁৱত ১৩, দৰং-ওদালগুৰিত ১১, শিলচৰত ৮ আৰু ডিফুত ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই পৰ্যায়ত ৰাজ্যখনৰ দৰং-ওদালগুৰি সমষ্টিত এন ডি এৰ প্ৰাৰ্থী  তথা সাংসদ দিলীপ শইকীয়া, কংগ্ৰেছৰ মাধৱ ৰাজবংশী আৰু বিপিএফৰ দুৰ্গাদাস বড়োয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে, শিলচৰত বিজেপি মিত্ৰজোঁটৰ পৰিমল শুক্লবৈদ্য, তৃণমূল কংগ্ৰেছৰ ৰাধাশ্যাম বিশ্বাস আৰু কংগ্ৰেছ দলৰ সূৰ্য্যকান্ত সৰকাৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হব। কৰিমগঞ্জত বিজেপি মিত্ৰজোঁটৰ

কৃপানাথ মাল্লা, কংগ্ৰেছৰ হাফিজ ৰছিদ চৌধুৰী আৰু এ আই ইউ ডি এফৰ চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। নগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈ আৰু এ আই ইউ ডি এফৰ আমিনুল ইছলামে প্ৰতিদ্বন্দ্বিতা কৰিব। অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সমষ্টিত বিজেপি মিত্ৰজোঁটৰ হৈ অমৰ সিং টিছ', কংগ্ৰেছৰ জয়ৰাম ইংলেং আৰু গণ সুৰক্ষা পাৰ্টীৰ জন বাৰ্নাড চাংমাই প্ৰতিদ্বন্দ্বিতা কৰিব।

উল্লেখযোগ্য যে সমগ্ৰ দেশত দ্বিতীয় পৰ্যায়ত নিৰ্বাচনত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত সামগ্ৰিকভাৱে ৮ দশমিক ৬ শতাংশ মহিলা প্ৰাৰ্থী আছে। এই পৰ্যায়ত অসম আৰু ত্ৰিপুৰাত দুগৰাকীকৈ মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি জানিব পৰা গৈছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত প্ৰাৰ্থীসকলৰ ভিতৰত মহিলা প্ৰাৰ্থী ৮ দশমিক ২ শতাংশ আছিল। দ্বিতীয় পৰ্যায়ত কেৰালাত সৰ্বাধিক ২৫ গৰাকী মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে, কৰ্ণাটকত ২১ গৰাকী আৰু উত্তৰ প্ৰদেশত ১০ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ooooo

অৰুণাচল প্ৰদেশৰ চাৰিটা বিধানসভা সমষ্টিৰ আঠটা ভোটগ্ৰহণ কেন্দ্ৰত কাইলৈ বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে এই ভোটগ্ৰহণ কেন্দ্ৰকেইটাত যোৱা ১৯ এপ্ৰিলত বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল যদিও নিৰ্বাচন আয়োগে পুনৰ ভোটগ্ৰহণৰ নিৰ্দেশ দিয়ে। বামেং আৰু নিয়াপিন বিধানসভা সমষ্টিৰ এটাকৈ ভোটগ্ৰহণ কেন্দ্ৰ, ৰুমগং সমষ্টিৰ দুটা আৰু নাছ' বিধানসভা সমষ্টিৰ চাৰিটা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পুৱা ৬ বজাৰ পৰা বিয়লি ২ বজালৈ ভোটগ্ৰহণৰ সময় ধাৰ্য কৰা হৈছে। ভোটগ্ৰহণ সম্পন্ন হোৱাৰ পাছত একেদিনাই এই ভোটগ্ৰহণ কেন্দ্ৰকেইটাত 17A প্ৰপত্ৰৰ পৰীক্ষা কৰা হ'ব।

ooooo

ঃসমাপ্তঃ